"বহাগী মেলা"

'চ'তে চ'তে গই বহাগে পালেহি
ফুলিলে ভেবেলী লতা,
দেশৰ বুঢ়া মেথা দায় নধৰিবা
কই যাওঁ তু'মাৰি কথা।"

শ্ৰীমহেশচন্দ্ৰ দেব গোস্বামী,

অধ্যাপক, নগাঁও কলেজ।

চতিয়া বহাগী মেলাৰ সভাপতিৰ

অভিভাষণ।

১১শ অধিবেশন

GOVERNMENT OF ...
DISTRICT LIBRARY

"জয় জয় যাদৱ জলনিধিজা-ধৱ ধাতা

শ্ৰুত মাধৱ খিল ত্ৰাতা,

স্মৰণে কৰয় সিদ্ধি দীন দয়ানিধি

ভকতি মুকুতি পদদাতা।"

মাননীয়া আৰু মাননীয় আই সকল আৰু ডা-ডাঙৰীয়া সকল, চেনেহৰ বাই-ভনী আৰু ককাই-ভাই সকল,—

কোনোবা নজনা কালৰ পৰা আমি চিঞৰি আহিছোঁ—বিহু অসমীয়াৰ জাতীয় উৎসৱ বুলি। কিতাপে-পুথিয়ে, প্ৰবন্ধই-ৰচনাই, বক্তৃতাই অভিভাষণে এ একে আষাৰ কথাকে নিত-নতুন ৰূপে দোহাৰি থকা হৈছে। কিন্তু বৰ্ত্তমানৰ ৰঙ্গাই চালে মাজে মাজে সন্দেহ হব খোজে, সঁচাকৈয়ে বিহু অসমীয়াৰ জাতীয় উৎসৱ নে কি বুলি। এই সন্দেহ আৰু বাঢ়ে আমাৰ নগৰবোৰলৈ চালে। অসমীয়াৰ জীৱনৰ মূল ধাৰা স্বৰূপ এই বিহু উৎসৱৰ প্ৰাণ যেন আজি বিদা হৈ যাব লাগিছে। আগৰ সেই ধনী দুখী নিৰ্ব্বিশেষে লৰা-বুঢ়া, ডেকা গাভৰু সকলোৰে মনত বিহুৰ সময়ত যি স্পন্দন, যি উদ্যম আৰু যি আনন্দৰ ফল্গুধাৰা বৈ যোৱাৰ সংবাদ আজি আমি শুনো, তাৰ যেন স্বাভাবিক গতি প্ৰবাহ আজি বন্ধ হৈ গৈছে। বসন্তৰ লীলালাসত গছ-লতাই ঠাল ঠেঙুলী পাত ধৰাদি, প্ৰাণী

DISTRICT LIBRARY
IHFM BARUA COLL

জগতত নতুন উদ্যমৰ স্বাভাৱিক সোঁত বোৱাই দিয়া দি, বিহু উৎসৱেও এসময়ত অসমীয়াৰ অন্তৰত বোৱাব পাৰিছিল, অজানিতে অতি মৰ্ম্মস্পৰ্শী ভাৱে আনন্দ উচ্ছ্বাসৰ হিল্লোল সনা স্নেহ-বাৰিধিৰ এটি অবিশ্ৰান্ত সোঁত। কাকো মনত পেলাই দিব নেলাগিছিল বিহু কেতিয়া। বোৱনীয়ে সহজ জ্ঞানৰ ধাৰাই তাঁত বাটি কৰিছিল; খেতিয়কে চিৰা পিঠাৰ বাবে ধান, চাউল, তিল, সৰিয়হ, গাখীৰ, গুড় কণৰ যোগাৰ কৰিছিল; আৰু গৰখীয়া লৰাইতে বাট চাইছিল আনন্দৰ উল্লাসেৰে গৰুক গা ধুউৱা দিনটিলৈ। প্ৰকৃতিয়ে সাজি কাচি তাৰ আনন্দৰ পৰিপূৰ্ণতা লাভৰ বাবে যেন খেণ গণিছিল সেই অনিন্দ্য আনন্দৰ মুহূৰ্ত্তলৈ।

আজি যেন সেই দিন নাই। এফালে বৃটিছৰ শাসনত ক্ষীণ হোৱা আৰু আন ফালে পমুৱাৰ অত্যাচাৰত জলাকলা হৈ "অসমীয়া জাতি তিষ্ঠিবনে" বুলি প্ৰতি মুহূৰ্ত্তে সন্দেহ হৈ অহা এই অসমীয়াৰ গাত আজি সেই স্বাভাৱিক স্পন্দনত বাধা পৰিছে। ডেকা গাভৰুৰ মুকলিমূৰীয়া বিহুৰ খেল ধেমালিত আহি পৰিছে পশ্চিমীয়া সভ্যতাৰ পৰা এটি অপমান বা লজ্জাৰ অনাহক বোধ। অৰ্থনৈতিক সমস্যাই আনি দিছে প্ৰত্যেকৰে জীৱনত বিহুৰ ভোগ-আনন্দত এটি অতি সংকীৰ্ণ আৰু সংকুল অৱস্থা। এদিন আছিল যিদিনা অসমী আইক শস্য শ্যামলা বুলি অসমীয়াই তেওঁৰ কোলাত মূৰ থৈ স্বভাৱতেই পাইছিল সকলো আনন্দৰ সামগ্ৰী। আগৰ বিহু আছিল আনন্দৰ এটি স্ফুৰণ; এতিয়াৰ বিহু হ'ল এটা এৰাব নোৱাৰা সমস্যা। নামত কঙালী হলেও আগৰ কাতি বিহুও কঙালী নাছিল; কিন্তু আজিৰ ভোগালী বিহুও কঙালী হ'ল, ৰঙালী বিহুও বিৰাগা হল। স্নেহ-প্ৰীতিৰ চিন স্বৰূপ বিহুৱানখন মাকে পুতেকৰ কান্ধত পেলাই দিবলৈ ভাবিব লগীয়া হল। সকলোটিয়ে মিলি-জুলি এসাজ খাবলৈ বিচাৰি পাবলৈ নোহোৱা হ'ল গাখীৰ কণ, গুড় কণ।

সেই বাবেই আজিৰ বিহু বহুতলৈকে এটি বিপদ আৰু সমস্যাৰ নামান্তৰ

মাত্ৰ। অতীতৰ আনন্দৰ চিন স্বৰূপেই আজি আমি বিহু উৎসৱ পাতোঁ। বহুত ক্ষেত্ৰত ই যেন আমাৰ পুৰণি বিহুৰ তিৰোভাৱ মহোৎসৱহে। আৰু কি বহুতৰ মানত ই হৈ পৰিছে এটি অনাগতীয়াল বোজা মাথোন।

তথাপিও আমি আনন্দ উৎসৱ কৰোঁ। আনন্দ উৎসৱবোৰ সমাজক জীয়াই ৰাখিবলৈকে লাগতীয়াল। কঠিন সমস্যাবিলাকৰ মাজতো এই উৎসৱে আমাৰ প্ৰাণত খন্তেকলৈ হলেও আনি দিয়ে এটি অজানিত আনন্দৰ মধুৰ তৰঙ্গ-প্ৰবাহ। ক্ৰমে জটিল হৈ পৰা জগতখনৰ ব্যক্তিগত স্বাৰ্থপৰতাৰ মাজৰ পৰা এনে এটি দিনত আমি যেন এবাৰ ওলাই ভুমুকিয়াই চাওঁ বহল জগতখনলৈ; এবাৰ আত্মহাৰা হওঁ ভাই-ভনী বন্ধু বান্ধৱ, আত্মীয়-স্বজন আৰু সমনীয়া লগৰীয়া সকলোৰে প্ৰাণৰ এটি নিবিড় স্পৰ্শত। আকৌ হয়তো দুদিনৰ পিছত এই উন্মাদনা যায় নামি আৰু আমি সোমাই পৰোঁ বিবিধ সমস্যাৰ ৰেৰপাকেৰে ভৰা অন্ধকাৰ গুহাত।

আপোন সঞ্জীৱনী শক্তিৰে বিহু উৎসৱ যেন জী থাকিব পৰা নাই। আমাৰ আৱশ্যকতাৰ বাবেই আজি আমি এই উৎসৱ জীয়াই ৰাখিবলগীয়া হৈছে—চেষ্টা কৰিও। এনে এটি সন্ধিক্ষণতেই আজি আপোনাসকলৰ এই মহাসভা মেলাবো অধিৱেশন। আজি আমাৰ অন্তৰত যেন ফুটি উঠিছে মৰণৰ বেলিকাৰ শেষ প্ৰচেষ্টা জীয়াই থাকিবলৈ। সেই বাবে ভাবিছোঁ আজি আপোনাসকলৰ এই অধিৱেশন অতি গুৰুত্বপূৰ্ণ। এনে অধিৱেশনত গুৱিয়াল হৈ সকলোৰে প্ৰাণত সঞ্জীৱনী ঢালি দি ম্ৰিয়মাণ আৰু মুমূৰ্ষুজনক উদগাই লৈ যাব পৰা এজনক গুৱিয়াল পাতি লোৱাটোৱেই সমীচীন আছিল। যোৱা বাৰো আপোনালোকৰ মৰমৰ আদেশ পৰিছিল এই অভাজনৰ ওপৰতেই। কিন্তু স্থানীয় কাৰ্য্যত লিপ্ত থাকিব লগীয়া হোৱাত মোৰ ইয়ালৈ অহাটো সম্ভৱপৰ নহল। ভবা নাছিলোঁ আপোনা-লোকে এইবাৰো মোৰেই ওপৰত সেই একে পৰোৱানা জাৰি কৰিব বুলি।

আপোনালোকে মোৰ নিচিনা নগণ্য প্ৰাণী এটাক এনে গুৰুভাৰ লগতে দিয়াত ভুল কৰিছে বুলিয়েই মোৰ অনুমান হয়। মোৰ অযোগ্যতাৰ কথা মই জানো; তথাপিও আপোনালোকৰ আদৰৰ আদেশ প্ৰত্যাখ্যান কৰিবৰ স্পৰ্দ্ধা মোৰ নহল। এই সন্মানিত পদ মোক দিয়া বাবে আপোনালোকৰ ওচৰত কৃতজ্ঞতাত মোৰ মূৰ দোঁ খাইছে। কিন্তু অযোগ্যতাৰ বোধে মোক লজ্জিত কৰিছে, আৰু মোধোৰ মোৰত পেলাইছে। যি ভাও লৈছোঁ। সেই ভাওৰ বচন মাতিব পাৰোঁ-নোৱাৰোঁ, কব নোৱাৰোঁ; কিন্তু এটি বিশ্বাস লৈ আহিছোঁ যে আপোনালোকে যেনেকৈ মৰমৰ আদেশ দিব জানে, তেনেকৈ ক্ষমাও কৰিব পাৰে।

বসন্তৰ আগমনত প্ৰকৃতিয়ে যি নিত্য-নতুন ৰূপ ধৰে সি আপোনাসকলৰ চকুত সদায় বিৰাজমান। কিন্তু এইবাৰৰ খৰে প্ৰকৃতিৰ সেই স্বাভাৱিক ৰূপ-সজ্জাত যেন বাধা দিছে। গছ-গছনিৰ যেন আগৰ আনন্দ এইবাৰ নাই। চৰাই চিৰিকতিৰ আনন্দৰ কল্লোলধ্বনি যেন ক্ষীণ হৈছে আৰু খেতিয়কৰ মুখ যেন শুকাই যাব লাগিছে এটি অনাগত আশঙ্কাত। ভাৰতৰ হৈ যোৱা গণ-আন্দোলন আৰু যুদ্ধৰ তেজ শোহা অৱস্থাৰ পৰা আমি এতিয়াও গা টঙাব পৰা নাই। যদিও আমি এইবাৰ আগতকৈ বেছি মুকলিমূৰীয়া ভাবে লগ লগা যেন পাইছোঁ, তথাপিও আমাৰ ভিতৰে ভিতৰে যেন ব'ব লাগিছে এটি অতৃপ্তিৰ সোঁত, আৰু যেন প্ৰতি মুহূৰ্ত্তেই আমি বাট চাব লাগিছোঁ। এনে এটি মুহূৰ্ত্তলৈ যেতিয়া এই সকলোৰে ঘটিব স্বাভাৱিক অৱসান আৰু আমি ভৰি দিব পাৰিম আগৰ সেই শস্য-শ্যামলা, সুজলা-সুফলা, অসমী আইৰ বুকুত, এখনি নতুন আনন্দ ৰাজ্যত — স্বাধীনভাৱে, নিৰ্ভীক ভাৱে আৰু অতি স্বাভাৱিক ভাৱে।

দেশৰ সমস্যাবোৰলৈ পাহৰি থাকি আমি এবাৰ চাওঁ— এই বিহুৱে আমাক কি দিছিল বা কি দিয়ে। আমাৰ জীৱনৰ লগত গৰুৰ ঘনিষ্ঠ সম্বন্ধ। গৰুক আমাৰ সকলো জীৱনীশক্তিদাতা বুলিলেও বেচি কোৱা নহয়। গৰুৰ ওপৰত

ইয়ান নিৰ্ভৰ কৰিবলগীয়া হোৱা বাবেই বছেৰেকৰ বিহুটোত প্ৰথম আৰু শ্ৰেষ্ঠ আসন পাই আহিছে গৰুৱে। যিমানবোৰ বস্তুকেই আমি ভোগ কৰোঁ সকলো সম্ভৱ হয় গৰুৰ পৰাই। গতিকে গৰুক তাৰ প্ৰাপ্য কৃতজ্ঞতাখিনি অসমীয়াই জনাবলৈ নাপাহৰে। প্ৰচুৰ পৰিমাণে মাহ হালধি বাছি লৈ বটা হয়। পুৰণি তেলকণৰ চিৰ্চাটো কাঁডবতে এৰি ছুপ'লা হলেও উৰুকা দিনা নতুনকৈ সৰিয়হ পেৰি তেল উলিয়াই লোৱা হয়। বাৰীৰ লাও বেঙেনা খেকেৰা হালধি গোটাই গৰখীয়া লৰাই আনন্দেৰে ৰাতিপুৱাৰে পৰা "ছাট" কৰে। এনেয়ে বৰ চকু-কাণ নিদিলেও সেইদিনা গোহালি ঘৰটি সাৰি মচি পৰিষ্কাৰ কৰা হয়।

সূৰ্য্য সংক্ৰমণৰ লগে লগে গৰুৰ মূৰত মাহ দি গাত তেল হালধি সানি গৰুক নোওৱাটো এটা আনন্দৰ বিষয়। তাৰ লগৰ তেল মাহ হালধিকে তেতিয়া ঘৰ-ঘৰুৱাহে সানে। তাৰ পিছত গৰুক নদী বা বিলত বুৰিয়াই ঘঁহি পিহি গা-ধুৱাই লোৱা হয়। "লাও খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা" আদি মাঙ্গলিক আশীৰ্ব্বাদেৰে দীঘলতী আৰু মাখিয়তীৰ এছাৰিৰে কোবাই গৰুক তেতিয়া এৰি দিয়া হয় মুক্ত ভাবে পঠাবলৈ।

সন্ধিয়া গৰু অহাৰ আগতে নতুন পঘাত তেল হালধি সানি ৰখা হয়। পদূলি মুখত, গোহালি মুখত ভুঁহ, মৰলিয়া, ধানখেৰ, তাংপুলি, অগৰা, মাখিয়তী আৰু দীঘলতীৰ পাতেৰে জাগ পাতি থোৱা হয়। গাখীৰ গুৰ আৰু পিঠাগুড়িৰ লাৰু আৰু ঠায়ে ঠায়ে পিঠা-পনা আগ কৰি থোৱা হয় গৰুলৈ। গৰু অহাৰ লগে লগে পদূলি মুখত ভৰি ধুৱাই দি সেই লাৰু খাবলৈ দিয়া হয়। তাৰ পিছত জাগৰ ধোঁৱা সুঙাই গৰুক গোহালিত সুমুৱাই বিছৱান মুলিৰেই নতুন পঘাডাল ডিঙিত দিয়া হয়। সাত বিহুৰ ভিতৰত গৰুক বাঁহৰ লেকেচি আদিৰে নোকোবাই দীঘলতী মাখিয়তীৰ ঠালিৰেহে কোবোৱা হয়।

এইয়ে অসমীয়াৰ গো-পূজা। এই অনুষ্ঠানবোৰ অৰ্থহীন নহয়। তেল

মাহ আৰু হালধি আমাৰ বিয়াবাৰু আদি সকলো মাঙ্গলিক কাৰ্য্যৰেই উপাদান।
চ'তৰ খৰত স্বাভাৱিকতে গৰুৰ গা শুকাই উঠে, আৰু চিকৰা ওকণী আদি হয়।
তাৰ উপৰি এই কালত গৰু মানুহ সকলোৰে গাত নানান ৰকমৰ চৰ্ম্মৰোগ হয়।
মাহ আৰু হালধি সকলো চৰ্ম্মৰোগৰ ঔষধ। হালধিৰ ৰস ৰক্ত-
পৰিষ্কাৰক বস্তুও। সেই বাবেই এই দিনটিত তেল মাহ হালধি সনাৰ এই
প্ৰথা।

আমাৰ গৰুক মাজে মাজে গা ধুৱালেও বিহুৰ দিনা ধুউৱাদি ধুউৱা
নহয়। খৰাং বতৰত শুকাই থকা গৰুক বুৰিয়াই বহুত বেলি গা ধুউৱাৰ ফলত
ঠাণ্ডা লগা খুব স্বাভাৱিক, আৰু তাৰ ফলত গৰুৰ পানীলগা বা চৰ্দ্দি হব পাৰে।
তাৰ প্ৰতিষেধক মৰলিয়া। আন দিনে গৰমৰ বাবে গৰুৰ হাইজা হবও পাৰে;
তাৰো প্ৰতিষেধক ভাংপুলি, দীঘলতী মাখিয়তীৰ পাত। সেই বাবেই সন্ধিয়া
এই সকলোবোৰ লগলগাই জাগ দিয়া হয়, আৰু ইয়াৰ ধোঁৱা ভিতৰলৈ গলে
পানীলগা আৰু হাইজাৰ ভয় নাথাকে বুলি বিশ্বাস। গাখীৰ গুৰ পিঠাগুড়িৰ
লাৰু খুৱালেও কলেৰা নহয় বুলি ঠায়ে ঠায়ে বিশ্বাস দেখি সেই লাৰু খুৱায়।
দীঘলতী আৰু মাখিয়তীৰে কোবোৱাৰ অৰ্থও একে।

এতিয়া আমাৰ আনন্দ উৎসৱ আৰু ভোজনলৈ চকু দিয়া যাওক। এই
মহাবিষুৱ সংক্ৰান্তি দিনৰে পৰা সূৰ্য্য মেষ ৰাশিত "তুঙ্গস্থ" হয়, অৰ্থাৎ তেওঁৰ
নিজৰ বিলাস বা আনন্দ-ভৱনত বিৰাজ কৰেগৈ। ফলতঃ তেওঁৰ পিতৃত্ব আৰু
মাতৃত্ব দুয়োটা গুণেই পূৰ্ণ বিকাশ লাভ কৰে, আৰু লগে লগে গোটেই বিশ্ব-
চৰাচৰৰ সকলো উদ্ভিদ আৰু প্ৰাণীৰো নিজৰ নিজৰ পিতৃত্ব আৰু মাতৃত্ব
দুয়োটা গুণৰে স্বাভাৱিক স্ফুৰণ হয়। সেই বাবেই গছ-লতাই পাত ফুল ধৰে,
পল্লৱ বিস্তাৰ কৰে, মানুহৰো যৌৱনৰ উত্তেজনা আপোনা-আপুনি বৃদ্ধি পায় আৰু
উদৰাগ্নি বাঢ়ে। উদৰাগ্নি বঢ়াৰ ফলত গুৰুপাকী আহাৰো মানুহে হজম কৰিব

পৰা হয়। (অৱশ্যে পৰে দিয়া তেঁওলোক বস্তুৰ ওপৰত নিৰ্ভৰ কৰি জীৱিকা নিৰ্ব্বাহ কৰা আজিৰ আমাৰ লৈ ই মিছা যেন লাগিব পাৰে।) সেই সময়ত গুৰুপাকী আহাৰ খালে আমাৰ শাৰীৰিক শ্ৰী-বৃদ্ধি হয়। সেই বাবেই আমি খাওঁ চিৰা-কৰাই, আৰু নানান তৰহৰ গুৰুপাকী মিষ্টান্ন আৰু পিঠা-পনা। বিহুৰ পিঠাপনা বিলাস নহয়; ই বসন্ত ঋতুৰ আমাৰ স্বাভাৱিক আহাৰ বিশেষ।

স্বৰ্যা তুলদ্ধ হোৱা বাবেই আমাৰো অন্তৰত আহি পৰে এটি অজান আনন্দ উদ্যম; শক্তি যায় বাঢ়ি; আৰু তাৰ আতিশয্যৰ স্বাভাৱিক পৰিণতি হয়- নানান তৰহৰ খেল ধেমালি আৰু নৃত্যগীতত।

এই সময়তেই নানান ফলমূল, শাক-পাছলি আৰু শস্যৰ বীজ পচোৱা হয়, আৰু গজি উঠে। গতিকে এই কালক প্ৰজনন কাল বুলিব পাৰি। আগৰ কালত বিহুৰ এই নৃত্য-গীতৰ মাজেৰেই ডেকা-গাভৰুৰ ঘটিছিল স্বাভাৱিক মিলন, আৰু কনেং আৰু চেনাইক বিচাৰি ইটো সিটো হৈ পৰিছিল উন্মাদ। অন্তৰত চেনেহ-পীৰিতিৰ অঙ্কুৰস্থ ভাণ্ডাৰ লৈ ডেকা বা গাভৰুৱে বিচাৰিছিল আন এজন সমহৃদয়ী গাভৰু বা ডেকাক। চেনেহৰ জনক দিবলৈ গাভৰু গোৱনীয়ে নতুন নতুন ফুলেৰে গামোছা বৈছিল, ডেকাই নৃত্য গীত আৰু খেল-ধেমালিৰ মাজেৰে গাভৰুৰ মন হৰিবলৈ সেই কলা-চৰ্চ্চা কৰিছিল।

আনন্দ উল্লাসৰ মাজেৰে সকলোৱে গা পা ধুই পৰিষ্কাৰ হৈ নতুন কাপোৰ কানি পিন্ধি পূজনীয় পূজনীয়া সকলক জনায় ভক্তিৰ একোটি সেৱা, সৰুটাইতক জনায় মৰম আৰু সমনীয়া লগৰীয়াক জনায় আদৰৰ ওলগ। আন দিনাৰ ভোজনৰ লগত সেই দিনাৰ ভোজনৰ পাৰ্থক্য স্বাভাৱিকতেই চকুত পৰে। অতি দুখীয়া মাতৃয়েও পুতেক-জীয়েকক যি পাৰে এমুঠি আদৰ-সোহাগেৰে খুৱায়। সেই আহাৰৰ লগত উৎবিয়াই দিয়ে মাতৃৰৰ সকলো মৰম আৰু আশীৰ্ব্বাদ। বিহুৱান-খনি গাত দি "বাচা মোৰ কুশলে থাক" বুলি হয়তো এটি চুমা খায়। মাত আৰু

সন্তানৰ এই স্বৰ্গীয় মিলনৰ জ্যোতিয়ে মুখৰাই তোলে গোটেই ঘৰ। আনন্দ-উল্লাসত হিয়াৰ পাৰ ধাৰ বাগৰি আৰু তাৰ আতিশয্যত সকলোৰে ঈশ্বৰৰ ওচৰত মূৰ দোঁৱায়। যিমান দুখীয়াই নহওক, যিমান আলা-যন্ত্ৰণাত জৰ্জ্জৰিত নহওক, প্ৰতি অসমীয়াৰ বাবে এই দিনটি সৰগৰ যেন এক অনিন্দ্য মুহূৰ্ত্ত। অতীতৰ সকলো ঐশ্বৰ্য্যৰ অৱসান ঘটিলেও, অসমীয়া জাতি বুলিবলৈ এটি মাথোন পৰিয়াল জীয়াই থাকিলেও, কোনেও এই মুহূৰ্ত্তটো কাঢ়ি নিব নোৱাৰে। এই মুহূৰ্ত্তৰ স্পন্দন হয়তো থাকি যায় গোটেই বছৰলৈ; আকৌ বছৰৰ মূৰত পুনৰ সি উঠে মূৰ্ত্তিমান। এনেকৈয়ে চলিব লাগিছে অসমীয়াৰ এই জাতীয় উৎসৱৰ প্ৰাণৰ মধুৰ ভৱনৰ অমৰ চক্ৰ।

বিহুৰ ৰং ৰহইচ, খেল-ধেমালি, হুচৰি, প্ৰীতি-মিলন আদি যি য'ত হয়, সকলোৰে কথা আপোনালোকে জানে আৰু তাৰ প্ৰত্যেকৰেই যে একোটি গভীৰ মৰ্ম্ম আছে, তাকো হয়তো আপোনালোকে উপলব্ধি কৰে। আজিৰ এই অৰ্থ-নৈতিক সমস্যা বহুল জগতত কেতিয়াবা প্ৰশ্ন হবও পাৰে, যে এই উৎসৱ আমাৰ জাতীয় উৎসৱ কিয়? আজিৰ জগতৰ পৰিস্থিতিত আৰু ভাৰতীয় আদৰ্শৰ ভেটিত তাৰ সহজ উত্তৰ আমি পাব পাৰোঁ।

আমাৰ অসমীয়াৰ জীৱনৰ দৰ্শন হৈছে, কাৰো ওচৰত হাত নপতাকৈ সুখে দুখে দুমুঠি খাই চলি যাব পৰাটো। গোটেই ভাৰতীয় মানুহৰে জীৱনৰ দৰ্শন আগৰ পৰা আত্মকেন্দ্ৰিক ভাৱেই চলি আহিছে। কিন্তু এই আত্মকেন্দ্ৰিকতা সামাজিক-ভাৱৰ প্ৰতিকূল নহয়। ভাৰতীয় মানুহ আত্মকেন্দ্ৰিক হৈও সমাজৰ অনুকূলে কাম কৰি চলিব পৰা বিধৰ। নিজৰ কাৰণে চিন্তা কৰোঁতে তেওঁলোকে পৰৰ সুখ-দুখ অভাৱ-অভিযোগ আদিলৈ আওকাণ নকৰে। নিজৰ লাগতীয়াল খিনি নিজে গোটাই লোৱাৰ লগতে দুখীয়াৰ হিতৰ অৰ্থে, ওচৰচুবুৰীয়াৰ অভাৱ নিবাৰণৰ বাবে, দুখীয়া জনেও যি পাৰে দিয়াটো পৰোপকাৰেই নহয়, দৰিদ্ৰ-

মাৰাৱণৰ সেৱাও। তাত আছে তৃপ্তি আৰু আত্মাৰ বিকাশৰ এটি সুবিধা। আজি মহাত্মা গান্ধীয়েও বস্ত্ৰবাদ আৰু যন্ত্ৰ যুগৰ কোলাহৰ মাজতো এই আত্ম-নিৰ্ভৰশীলতাৰ বাণীকে জগতক বিলিয়াই ক'ব লাগিছে। এই আত্মনিৰ্ভৰ শীলতাৰ চৰম শিক্ষা অসমীয়াৰ বছৰৰ প্ৰথম দিনটোৰ এই বিহুতেই পোৱা যায়।

বিহুৰ ৰং ৰহইচ আৰু আনন্দ-ভোজনৰ বাবে লাগে বৰাধান, তিল, মাহ, গুড়, সৰিয়হ, লাও-বেঙেনা, থেকেৰা, মৰাপাট ইত্যাদি। এই বস্তুবোৰৰ বাবে বছেৰেকৰ বিহুদিনা পৰৰ ওচৰত হাত পাতিবলগীয়া হোৱাটো লাজৰ কথা। গতিকে প্ৰতি ঘৰ অসমীয়াই এই আৱশ্যকীয় বস্তু কেইটিৰ বাবে আগৰ পৰাই যত্ন কৰি তাৰ উৎপন্নৰ বাবে দিহা কৰিব লগীয়া হৈছিল। বছেৰেকৰ বিহুদিনা কাৰো ওচৰত হাত পাতিব নলগীয়াকৈ নিজৰ খেতিৰ বা হাতৰ বস্তুৰেই চলি যাব পৰাটো অকল আনন্দৰ কথাই নহয়, তাৰ লগত জড়িত আছিল এনে এটা বিশ্বাসো, যে বছেৰেকলৈ কাৰো ওচৰত আৰু হাত পাতিব নালাগে। ই শিকায় আমাক পৰিশ্ৰমৰ মৰ্য্যাদা, ই শিকায় আমাক আত্মনিৰ্ভৰশীলতা।

কিন্তু আজি আমি কৰিছোঁ কি? মৈমনছিঙীয়া পমুৱাৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হৈছে বিহুৰ প্ৰতিপদ বস্তুৰ বাবেই। বৰাধানৰ খেতি প্ৰায় টুটি আহিল; তাৰ ঠাই পুৰাবলৈ লগে ধুলি মাকতি মিহলি বজাৰৰ আটাগুড়ি ময়দা-গুড়িয়ে। একোখন গাৱঁত আধা মোণ তিল পোৱাটোও ডাঙৰ কথা হ'ল। সৰিয়হৰ খেতি কৰিলেও, তেলকল পেৰি উলিবাৰ এলাহতে বিহুৰ দিনা গৰুৰ গাত বা মানুহৰ গাত সানিবলৈ, আৰু পিঠা-পনা ভাজি খাবলৈকে, ভেজাল তেল কিনি লোৱা হলোঁ। মৈমনছিঙীয়া তেলীয়াৰ পৰা, বা মাৰোৱাৰী গোলাৰ পৰা। হালধীৰ নামেৰে বাৰীত ঠেকুলি এটা ভাঙিবলৈ নোহোৱা হ'ল। গৰুৰ হাটিৰ লাও বেঙেনা থেকেৰাৰ বাবে শনিবৰীয়া বুধবৰীয়া হাটৰ পমুৱাইতৰ দুৱাৰে আমি ব্যগ্ৰভাৱে বাট চাবলৈ শিকিলোঁ। কুঁহিয়াৰ কৰিব লগীয়া পৰিশ্ৰমে আমাক

ভুমুকা হ'ল। বছেৰেকৰ পক বিহুৰ পৰা আমি বটাই আনো বৈমনছিন্তীয়াৰ হতুৱাই গোলাৰ মৰাপাটেৰে। মুঠৰ ওপৰত এই আনন্দ উৎসৱটিৰ সামগ্ৰী আমাৰ নিজৰ পৰিশ্ৰমৰ পৰা অহা হল। আগেয়ে বিহুৰ বাবে অসমীয়া সাজু হৈ আছিল গোটেই বছৰটোজুৰি; বিহুৰ দিনটোত সম্পূৰ্ণ আত্মনিৰ্ভৰশীলতাৰ চৰম বিকাশ ঘটিছিল যাথোন। সেই বাবেই তেতিয়া এহাতে যেনেকৈ স্বাস্থ্য আছিল অটুট, আনহাতে তেনেকৈ বস্ত্ৰ বেহানি আছিল প্ৰচুৰ আৰু আনন্দৰো নিজৰা আছিল স্বভাৱ-জন্য। যেতিয়াৰ পৰাই আমি এইবোৰৰ বাবে বিনাদ্বিধাই হাত-পাতিবলৈ শিকিলোঁ। পৰৰ ওচৰত, সেইদিনাৰ পৰাই আমাৰ স্বাস্থ্যৰ ঘটি আহিল হানি, বিহুৰ প্ৰাণ গ'ল উৰলি, আৰু বিহু উৎসৱৰ স্বাভাৱিকতা লোপ পাই ট হৈ পৰিল এটি অৰ্থ-নৈতিক সমস্যা।

আকৌ চাওক বিহুৱান খনলৈকে। ঘৰৰ বোৱাৰী জীয়াৰী সকলো লগ লাগি ছমাহ আগৰে পৰা চিন্তা কৰে ঘৰৰ প্ৰতিজনকে কেনেকৈ একোখন গামোছাকে বিহুৱান বুলি দিব পাৰে। তাকো দিব লাগিব নিজৰ হাতৰ মৰমৰ স্পৰ্শ সানি। সেই বাবেই গিৰিহঁতে খেতি কৰি কপাহ যোগায়, জীয়াৰী বোৱাৰী সকলো লগ লাগি কপাহ নেওঠে, ধুনে, সূতা কাটে, আৰু নিজে নানান বোল নি, সপোন দেশৰ ফুল তুলি কাপোৰ বৈ বিহুৱান দিয়ে। যেয়ে যিমান মিহি আৰু চকুত লগা কাপোৰ ব'ব পাৰে তাৰে আভিজাত্য বাঢ়ে। বকৰা, কুকন আদি কোনো সম্ভ্ৰান্ত ঘৰৰ জীয়াৰী বোৱাৰী হোৱা মানে সকলোতকৈ উৎকৃষ্ট কাপোৰ কানি ব'ব পৰাও। আৰু আজি? আমি কৰিছোঁ কি? এমুঠি সূতাৰ কাৰণে, এখন কাপোৰৰ কাৰণে, হয়তো দিনে দিনে নগৰৰ ডোকানৰ মুখে মুখে ঘূৰি বিফল মনোৰথ হৈ সন্ধিয়া এটি হৃদনিয়াহকে সম্বল কৰি লৈ ঘৰ সোমাইছোঁহি। ভাবি চোৱা নাই কিমান অমূল্য সময় আৰু শক্তি আমি এনেকৈ অপচয় কৰিছোঁ। যেতিয়াই এই পৰনিৰ্ভৰশীলতা আমাৰ ভিতৰত সোমাল, তেতিয়াৰ

PLEASE HANDLE THE BOOK CAREFULL

পৰা আমি হলোঁ প্ৰাণহীন, উদ্যমহীন। পৰৰ ওপৰত কৰা সভীয়া বিলাসৰ সাজ হ'ল আমাৰ আভিজাত্যৰ পৰিচয়। সেই বাবেই বিহুও আজি যেন অন্তঃসাৰ শূন্য, প্ৰাণহীন। আৰু আমাৰ উৎসৱেও তাৰ স্বাভাৱিক ৰূপ এৰি যেন লগে পশ্চিমীয়া স্তুতি উৎসৱৰ এটি ৰোল ৰাখেন।

আপোনালোকৰ কোনোৱে হয়তো কৈ উঠিব পাৰে, যে এই পৰনিৰ্ভৰ-শীলতা আপোনালোকৰ ইয়াত হোৱা নাই। কিন্তু মই দুখেৰে হলেও ক'ব লাগিব যে বহুত ঠাইত এনে হৈছে, আৰু হয়তো ই অসম জুৰি বিয়পি পৰাতো সময় পৰ নালাগিব যদিহে আমি সেই বিষয়ে সতৰ্ক হৈ একো প্ৰতিবিধানৰ দিহা নকৰোঁ।

সমজুৱা সকল, নিজৰ দৈনন্দিন জীৱনৰ ফালেও এবাৰ ভুমুকিয়াই চাওক। আমি দেখোঁ কি? এফালে চিঞৰিছোঁ স্বাধীনতাৰ, আৰু আন ফালে দিনক দিনে হৈছি পৰমুখাপেক্ষী হৈ গৈ অসমীয়া জাতি ধ্বংস সাগৰলৈ বোৱাৰ পকীবাট বান্ধিব লাগিছোঁ। আমাৰ লাগতীয়াল ঢেকেনাটো জলকীয়াটো ঘৰৰ ফিৰালিতে হৈ আছিল, তাৰ পৰা ছিঙি আনি মাথোন চৰুত বহাব লাগে। বাৰীত থকা পাহলিৰ বন-শাকৰ অভাৱ নাছিল; চৰুৰ তলত জুই দি গৈও এমুঠি ছিঙি আনি বহাই তৃপ্তিকৰ আৰু পুষ্টিকৰ আহাৰ আমি খাইছিলোঁ। এতিয়া নিজৰ ঘৰৰ কাষত মাটিত খোঁচৰ মাৰি জলকীয়া ঢেকেনাৰ পুলি এটা ৰোৱাৰ এলাহতে সেই মাটি হৈছে চন পৰি, আৰু আমি হাহাকাৰ কৰি মৰিছো চাৰিটা পইচাৰ কাৰণে বজাৰৰ পৰা দেখেলা জলকীয়া ঢেকেনা বা ঢেঁকীয়া শাক মুঠিও কিনি আনিবলৈ। হাত যেদিনেই ছিঙিব পৰা পান ভোগাও নাই— আমি কিনো বিহুত খাবলৈ হাটৰ দু-খনা শুকান দেখেলা পান আৰু গোনত টকা খৰচ যেনো ভাবোঁ। তাকো আনিছোঁ কাৰ হাতৰ পৰা? আমাৰে অকৰ্মণ্যতাৰ বাবে এৰি দিয়া একেবাৰে মাটি লৈ বসতি কৰা দৈমনহিতীয়া পঞ্জাৱ পৰাই। যেই

একে মাটি, একে কথা,— পিছে যত্ন আৰু পৰিশ্ৰমৰ অভাৱত আমি অসমীয়াই নিজে নিজে এৰি দিব লাগিছে। চেনেহী অসমী আইক পৰৰ হাতত, পৰপুৰুষে ভোগ কৰিবলৈ, আৰু আমি সন্তানবোৰ ৰ-ছেৰা হৈ হাততালি দি মাতৃৰ এই অপমানৰ ৰং চাইছোঁ! সময় থাকোঁতেই সতৰ্ক নহৈ, আমি লম্ফ-জম্ফ কৰি কেতিয়াবা আক্ষেপো কৰোঁ। কিন্তু সেই লম্ফ-জম্ফতো নাই প্ৰাণ— সি মাত্ৰ পানী নোহোৱা গাগৰিৰ অৰ্থহীন আস্ফালন।

আমাৰ বহুতেই ক'ব— সাৰৰ অভাৱত আগৰ দৰে খেতি নোহোৱা হ'ল। সেই বুলিয়েই আমি আমাৰ নিজৰ মাটি কেঁটি জীন নোৱোৱা বিদেশীক বেচি নিজে উচন যাব লাগিব— তাৰ তো কোনো অৰ্থ নাই। নতুন প্ৰণালীত সাৰ পানী দি লৈ তাতেই আগতকৈ এমুঠি সৰহকৈ উৎপন্ন কৰিব পৰাতেইহে আমাৰ জীয়াই থকাৰ সাৰ্থকতা। দেশক ভাল পোৱাৰ কথা, বা দেশপ্ৰেমৰ কথা আমি বিশ্ৰাম বিহীন ভাবে চিঞৰোঁ। "বন্দে মাতৰম"ৰ অৰ্থ নুবুজা ধ্বনিয়ে আকাশ তাল ফাল লগায়; কিন্তু যেতিয়ালৈকে আমাৰ দেশৰ মাটি টুকুৰাক আমি নিজ মাতৃ বুলি, আহাৰ দাত্ৰী বুলি ভাল পাবলৈ নিশিকোঁ তেতিয়ালৈকে এনে আস্ফালনৰ কোনো অৰ্থ নাথাকে। "যি দেশৰ মাটি ডোখৰত মই জন্ম লভি, তাৰ বুকু ফালি নানা সুস্বাদৰ ৰস পি, দিগন্ত বিস্তৃত মুক্ত আকাশ ছিৰি উশাহ নিশাহ লৈ, এক ভাব, এক চিন্তা, এক আদৰ্শ, এক ৰক্ত ধাৰা, এক সমাজ বন্ধন, এক চেহেৰা, এক গঢ়, এক সাজ পোছাক, এক খাবন দাবন, এক ধৰণ-ধাৰণ সম্পন্ন ভাই বন্ধুৰে সৈতে লগলাগি, আদান-প্ৰদান সহযোগ-অনুযোগত বংখেমালি কৰি, বিচাৰ বুদ্ধিৰ পৰিমাৰ্জনা পাই জীৱন ধৰি জীয়াই আছোঁ। সেইখন দেশতেই মোৰ অহৰহ বৈ থকা অন্তৰতম তৃপ্তিৰ উৎস বৰ্ত্তমান;— সেই জাতিয়েই, সেই বিৰাট নৰনাৰায়ণেই, সেই মাটি ডোখৰেই মোৰ সেৱাৰ মূৰ্ত্ত দেৱতা। প্ৰাণৰ পৰিতৃপ্তিৰে তাক সেৱা কৰি দেশৰ সৌন্দৰ্য্য, জাতিৰ সৌষ্ঠৱ

ধৰাৰ নোৱাৰিলে, বা সামৰ্থানুসাৰে সেৱা কৰিবলৈ ইচ্ছাও নকৰিলে, বা এতিল-মান সহানুভূতিও নিদিলে, মোৰ অকৃতজ্ঞ জীৱনৰ তিলমানো প্ৰয়োজন নাই।" (পঢ়ক—"ডেকা-ডেকেৰীৰ বেদ": ৰায় চৌধুৰী— পৃঃ ৩৭)। যাক আমি ভাল পাওঁ তাৰ অন্তৰৰ আৰু বাহিৰৰ যোড়শোপচাৰেৰে ওপচাই সজাই তুলিবলৈ প্ৰবৃত্তি হয়; জন্মভূমি সম্পৰ্কেও আমাৰ সেই প্ৰবৃত্তিৰ স্ফুৰণ জানো নহব?

আমি আকৌ ভুমুকিয়াই চাব লাগিব বৰ্ত্তমান দৃষ্টিৰে অতীতৰ সেই গৌৰৱ-ৰাশিলৈ। তাৰ পৰা লব লাগিব শিক্ষা, তাৰ শক্তিত হব লাগিব শক্তিমান। আমি মনোনিবেশ কৰিব লাগিব পুনৰ যিমান দূৰ সম্ভৱ আত্ম-নিৰ্ভৰশীল হবলৈ। অন্ততঃ বছেৰেকৰ বিহুটো সম্পূৰ্ণ নিজে-হাতে কৰা, বা নিজৰ পৰিয়ালতে উৎপন্ন বস্তুৰে চলি যাব পৰা হবলৈ যত্ন কৰিলেই নিশ্চয় বিহু উৎসৱৰ আজিৰ চেহেৰা সলনি হৈ যাব,—বিহুত নতুন প্ৰাণ সোমাব,— অসমীয়া জাতিৰ মাজত নতুন সঞ্জীৱনীৰ সুঁতৰ ঢল আহিব। পঠাৰত উপযুক্ত সাৰ-পানী দি ধান মাহ সৰিয়হ কুঁহিয়াৰ আদি কৰক, তেলকণ নিজৰ ঘৰতে পেৰি লওক, গৰুৰ পঘাৰ মৰাপাট মুঠি নিজৰ খেতিৰ পৰা যোগাৰ কৰি আঁহৰি সযত্নে পকা বটি লওক, আৰু বছেৰেকৰ বিহুৰ বিহুৱান খনি নিজৰ খেতিৰ কপাহৰ বা ঘৰৰ মুগা পাট বা এৰিৰ – ঘৰত কটা সূতাৰে বৈ লবলৈ যত্ন কৰক,— তেতিয়া আকৌ আমাৰ পুৰণি দিন ঘূৰি আহিব; আকৌ স্বাভাবিক আনন্দ-প্ৰবাহ ববলৈ ধৰিব আমাৰ প্ৰতি বিন্দু তেজে তেজে।

বিহুক আগৰে পৰা জাতীয় উৎসৱ বোলা হৈছিল এইবিলাক কাৰণেই। আমাৰ সকলো নৃত্যগীত, কলা-বিজ্ঞান, ধৰ্ম্ম-অৰ্থ, শাৰীৰ-চৰ্চ্চা,— মুঠতে সমগ্ৰ জীৱনৰ চৰম বিকাশ সকলোৱে দেখিবলৈ পাইছিল এই বিহুতেই। এই সকলোবোৰ গুণৰ সন্নিবেশেই আছিল আমাৰ জাতীয়তা। চিৰা, কণী,

খিয়াল পাহৰি সেইদিনত সকলো ভাই-ভাই হৈ পৰিছিল, সকলে ডাঙৰৰ প্ৰতি প্ৰাপ্য শ্ৰদ্ধা জনাই আনুগত্য স্বীকাৰ কৰিছিল, শিষ্যই গুৰুৰ প্ৰতি সেৱা জনাই ভগৱৎ-ভক্তিৰ নিদৰ্শন দেখুৱাইছিল, গুৰু মুখে বা ব্ৰাহ্মণ মুখে পঞ্জিকাৰ পৰা বৰ্ষফল শুনি আঁচনি কৰি লৈছিল বছৰৰ কৰ্ত্তব্যৰ। বিহুৰ প্ৰতিটো কথাই অতীত হৈ যোৱা গোটেই বছৰটোৰ প্ৰতিবিম্ব আৰু আগত বছৰটোৰ সপোন আছিল। সেয়েহে বিহু হব পাৰিছিল আমাৰ জাতীয় উৎসৱ।

বঙালীৰ পূজা, যুক্ত প্ৰদেশ আদিৰ হোলি, মাৰোৱাৰ আদিৰ দেৱালী যেনেকৈ জাতীয় উৎসৱ, বিহুও তেনেকৈ আমাৰ জাতীয় উৎসৱ। কিন্তু আজি আমি বিজতৰীয়া হৈ আমাৰ জাতীয় উৎসৱলৈ নেওচা দি গা ঢাকি দিছোঁ— পূজাত। লাখ লাখ টকা অসমীয়াৰ হাতৰ পৰা এই পূজাত লুইতৰ পানী যোৱাদি বৈ ওলাই যাব লাগিছে। তাতে আমাৰ ভ্ৰূক্ষেপ কেইজনৰ? পূজা, হোলি আদিত সাম্প্ৰদায়িকতা থাকিব পাৰে; কিন্তু বিহুত সাম্প্ৰদায়িকতা নাই। হিন্দু-মুছলমান খ্ৰীষ্টান মুঠতে অসমীয়া মাত্ৰৰে ই জাতীয় উৎসৱ আছিল। আজি আমাৰ ভিতৰত সাম্প্ৰদায়িকতা-চৈতন্য, জাগি উঠাত আমাৰ মনবোৰ ভৰি পৰিল সঙ্কীৰ্ণতাৰে, আৰু সেই বাবেই আজি আমাক নিজকেই পাহৰি যাব লাগিছোঁ; অসমীয়া জাতিৰ ঐক্যৰ গাঁথিটো সোলোক-ঢোলোক কৰি দিছোঁ। এই সাম্প্ৰদায়িকতাৰ বিষাক্ত বীজ সুমুৱাব ভৰিতে অজান-পাতকী বিদেশীবোৰ। আমাৰ নিজৰ আত্ম-চৈতন্য জগাই তুলি এই বীজ ধ্বংস কৰিব লাগিব।

শ্ৰোতাসকল— এবাৰ বিহুগীতবোৰলৈও চকু দিয়ক। লিখিব-পঢ়িব নজনা চহাৰ অন্তৰৰ প্ৰেম-দৰ্শন; জীৱন-দৰ্শন ইয়াত স্বাভাৱিক ভাৱে পৰিস্ফুট হৈ উঠিছে। সমগ্ৰ মানৱ জাতিৰ চিৰন্তন ভাৱধাৰা এই অমূল্য

PLEASE HANDLE THE BOOK CAREFULLY.

সম্পদত নিহিত আছে। আমাৰ আধুনিক সাহিত্যত এই সাৰ্বজনীন ভাৱধাৰা তেনে ভাবে প্ৰকাশ পোৱা নাই। সেইবাবেই এই গীতবোৰ আমাৰ জাতিৰ প্ৰাণ স্বৰূপ ; কিন্তু ইয়াৰো সংগ্ৰহ মাথোন দুই এটিহে হৈছে। সেয়ে যথেষ্ট নহয়। তাৰ উপৰি চাওক— আমাৰ জাতীয় জীৱনৰ দ্যোতক বোলা এই বিহুটি সম্পৰ্কে কেইখন নো পুথি পাজি ওলাইছে ? দুই এটি গল্প উপন্যাস কবিতাতেই সি সীমাবদ্ধ নহয় নে ? বিহুক কেন্দ্ৰ কৰি এটি সু-সাহিত্য সম্ভাৰ এতিয়াও সৃষ্টি হোৱা নাই। ইয়াৰ কাৰণো ওলাই আছে ; বিহুত আমাৰ মজ্জাগত প্ৰাণৰ অভাৱ ঘটিব লাগিছে বুলিয়েই, বিহুৱে আমাৰ সমগ্ৰ জীৱন ওতপ্ৰোত ভাবে জড়িত কৰিব পৰা নাই বাবেই— এই অভাৱ। বিহুত ঘটা নানা সুখ দুখৰ কাহিনীবোৰলৈ আমাৰ চকু নোযোৱা হৈছে। সেই ঘটনাবোৰে আমাক সাহিত্য ৰচিবলৈ অনুপ্ৰেৰণা যোগাব পৰা নাই। সেই বাবেই আমাৰ সাহিত্যৰ ঠিহিৰা মৰা অৱস্থা। যি দিনা বিহু আকৌ আমাৰ স্বাভাৱিক আনন্দৰ স্ফুৰণ স্বৰূপে মন-প্ৰাণ থলক লগাই আহিব, সেই দিনাহে আমাৰ বিহুৱে আমাক সবল যোগাব—গল্প উপন্যাস নাটক কবিতা আদি ৰচনা কৰি আমাৰ জাতীয় সাহিত্যৰ ভাণ্ডাৰ ঐশ্বৰ্য্যশালী কৰি তুলিবলৈ।—

নাচ সম্পৰ্কেও এষাৰ ক'ব পাৰি। আমি শিক্ষিত হৈ ৰ-ছেৰা হলোঁ ; আৰু লাজৰ মতে বিহুৰ নাচ হৈ পৰিল অশ্লীল। ক্ৰমে সেইবোৰ অতি সাধাৰণ স্তৰৰ মানুহৰ মাজত আবদ্ধ হৈ পৰাত ঠায়ে ঠায়ে নাচ-গীত অমাৰ্জিত নোহোৱাৰ কাৰণ নাই। যেতিয়াই এই নাচ-গীতলৈ শিক্ষিত সমাজৰ দৃষ্টি ঘূৰি আহিব তেতিয়াই ই আকৌ মাৰ্জিত আৰু ৰুচি পূৰ্ণ হৈ সকলো সভ্য সমাজত সমাদৰ লভিব।

আই সকল আৰু ডা-ডাঙৰীয়া সকল, এনে কথাকে চোৱাই থাকি

আপোনালোকক আৰু আমনি দিব নোখোজোঁ। বৰ্ত্তমান আমি এটা ক্ষিপ্র-পৰিবৰ্ত্তনশীল সন্ধিক্ষণত। হয়তো আমাৰ দেড়শ বছৰীয়া গোলামীৰ অৱসান ঘটিবলৈ আৰু বেছি দিন নাই। কিন্তু স্বাধীন ভাৰতত আমাৰ যোগ্য আসন অধিকাৰ কৰাৰ ক্ষমতা আমাৰ আৰ্জ্জিত সম্পত্তি কৰ লাগিব। আত্মনিৰ্ভৰশীলতাই স্বাধীনতাৰ মূল সোপান। বিচৰে আমাক তাকেই শিকায়। আত্মনিৰ্ভৰশীলতা অহাৰ লগে লগে স্বাধীনতা ৰক্ষাৰ বাবে লাগতীয়াল গুণ— চৰিত্র, সংযম, নিয়মানুবৰ্ত্তিতা আপোনা আপুনি আহি পৰিব। "দেশৰ যি মাটিডোখৰে খুৱাই-পিয়াই, পিন্ধাই-উৰাই, কুৰাহ-চকাই জীয়াই ৰাখিছে, সেই মাটি ডোখৰৰ লগত দেশবাসী প্রত্যেক নৰ-নাৰীৰ নাড়ীৰ সম্বন্ধ, জীৱনৰ সম্বন্ধ, প্রাণৰ সম্বন্ধ। তেনে মাটি-ডোখৰ দেশবাসীৰ জাতীয় অধিকাৰৰ পৰা বিচ্যুত হোৱাৰ অর্থ হৈছে, নাড়ীৰ পৰা, জীৱনৰ পৰা প্রাণৰ পৰা বিচ্ছিন্ন হৈ মৃত্যু ঘটা। সেই কাৰণে ডেকা-অসমৰ নাড়ীসংযুক্ত, প্রাণ সংযুক্ত, জীৱন সংযুক্ত মাটি-ডোখৰ সৰ্ব্বতোভাৱে তাৰ নিজ অধিকাৰত ৰক্ষা কৰা নিবড় দায়িত্বটো" † প্রত্যেক ডেকা-গাভৰুৱে উপলব্ধি কৰিব লাগিব— তাৰ বাবে চিন্তা কৰিব লাগিব, আৰু কাম কৰিব লাগিব। আমাৰ দেশ শঙ্কৰ-মাধৱৰ দেশ, লাচিতৰ দৰে বীৰৰ দেশ, জয়মতীৰ দৰে সতীৰ দেশ, এই দেশতেই প্রকাশ পাইছিল "একান্ত ভকতি' অকৃত্রিম দেশ-সেৱা আৰু সৰ্ব্বত্যাগী প্রেম। সেইদিন আমাৰ কাৰ্য্যেৰে আকৌ ঘূৰাই আনিব লাগিব। প্রত্যেকৰ প্রাণত ৰজনজনাই উঠিব লাগিব অতীতৰ গৌৰৱ, আৰু তাৰ উল্লাসত আমি সদলে বীৰদৰ্পে আগুৱাই যাব লাগিব, আৰু তেতিয়া আপোনা আপুনি আমাৰ কণ্ঠৰ পৰা ওলাই আহিব 'দিগন্ত-প্রসাৰী ধ্বনিৰে—

"বাজক ডবা, বাজক শঙ্খ, বাজক মৃদং খোল,
অসম আকৌ উন্নতি পথত, 'জয় আই অসম' বোল।"

চতিয়া, ৫ বহাগ,
৪৯৭ শ্রীশঙ্কৰাব্দ

শ্রীমহেশচন্দ্ৰ দেৱ গোস্বামী।

† "ডেকা-ডেকেৰীৰ বেদ"— ৰায় চৌধুৰী, পৃঃ ৫৭—৫৮।

প্ৰকাশক :
"লাইবাৰ" (LIBER)
নগাঁও, অসম।

নগাঁও, দুৰ্গাপ্ৰেছত
শ্ৰীকালীমোহন বৰুৱাই
ছেপি দিলে।

সকলো ৰকমৰ প্ৰাইজ, লাইব্ৰেৰী আদিৰ অসমীয়া,
ইংৰাজী, হিন্দী, বঙালী, সংস্কৃত পুথিৰ
বাবে 'লাইবাৰ'ত খবৰ
কৰক।

যৌন-বিজ্ঞান সম্বন্ধীয় শ্ৰেষ্ঠ অসমীয়া কিতাপ—
"ইলা ভনাটিলৈ মুকলি চিঠি"।
প্ৰথম খণ্ড—৩॥০, দ্বিতীয়—৪৲,
তৃতীয়—৫॥০ অনা।

—এসাক মাথোন—